**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-05-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**:::::::::::::::::::::::::::::::::::::**

দেশৰ ১০খন ৰাজ্যৰ কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিত অহা ১৩ মে'ত হ'বলগীয়া চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ব্যাপক নিৰ্বাচনী প্ৰচাৰ অব্যাহত আছে। কাইলৈ এই পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে সামৰণি পৰিব। নিৰ্বাচনী প্ৰচাৰৰ সামৰণিৰ এদিন পূৰ্বে ভাৰতীয় জনতা পাৰ্টী, ভাৰতীয় জাতীয় কংগ্ৰেছ দল, তৃণমূল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে ব্যাপক প্ৰচাৰ চলাইছে। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰ আৰু তেলেংগানাত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি সন্ধিয়া ওড়িশাত হ'বলগীয়া ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। ইপিনে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি হাৰিয়ানাৰ পঞ্চকুলাত আম্বালা লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থীৰ হৈ ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই পশ্চিমবংগৰ বেৰেকপুৰত অনুষ্ঠিত জনসভাত অংশগ্ৰহণ কৰে। ইপিনে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধী আৰু সমাজবাদী দলৰ অধ্যক্ষ অখিলেশ য়াদবে উত্তৰ প্ৰদেশৰ কনৌজত আজি অনুষ্ঠিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। কংগ্ৰেছ নেতা শ্ৰী গান্ধীয়ে তেওঁৰ ভাষণত বিজেপিক সমালোচনা কৰে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা যোগী আদিত্য নাথে গোৰখপুৰত অনুষ্ঠিত নিৰ্বাচনী সমাৰেশত অংশগ্ৰহণ কৰে। চতুৰ্থ পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া অন্ধ্ৰপ্ৰদেশ, পশ্চিমবংগ, বিহাৰ, ঝাৰখণ্ড, মধ্যপ্ৰদেশতো প্ৰতিটো ৰাজনৈতিক দলে নিৰ্বাচনী প্ৰচাৰ চলায়।

০০০০০

গুৱাহাটীত আজি কমনৱেল্‌থ সংসদীয় সংস্থাৰ উত্তৰ-পূব সংমণ্ডলৰ কাৰ্যনিৰ্বাহকৰ বৈঠক অনুষ্ঠিত হয়। উত্তৰ-পূবৰ ৮ খন ৰাজ্যৰ বিধানসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষই অংশগ্ৰহণ কৰা এই বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অৰুণাচল বিধানসভাৰ অধ্যক্ষৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত আঠটা তৰাযুক্ত সংস্থাৰ নতুন ল'গো ব্যৱহাৰ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আজিৰ এই বৈঠকতে উত্তৰ-পূব সংমণ্ডলৰ নতুন কমিটি গঠন কৰা হয়। নাগালেণ্ড বিধানসভাৰ অধ্যক্ষ ছাৰিংগেইন লংকুমাৰক নতুন কমিটিৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হয়। আনহাতে অসম বিধানসভাৰ সচিব দুলাল পেগুৱে সঞ্চালক হিচাপে দায়িত্ব ভাৰ গ্ৰহণ। উল্লেখযোগ্য কমনৱেলথ সংসদীয় সংস্থাৰ উত্তৰ-পূব সংমণ্ডৰ পৰৱৰ্তী বৈঠক মিজোৰামত অনুষ্ঠিত হ'ব।

০০০০০

দেশৰ উচ্চতম ন্যায়ালয়ে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ অন্তৰৱৰ্তীকালীন জামিন মঞ্জুৰ কৰে। ন্যায়াধীশ সঞ্জীৱ খান্না আৰু দিপাংকৰ দত্তৰ খণ্ড বিচাৰপীঠৰ আদালতে সুৰা নীতি গোচৰত তিহাৰ জেলত বন্দী হৈ থকা কেজৰিৱালৰ অন্তৰৱৰ্তীকালীন জামিন অহা ১ জুনলৈ মঞ্জুৰ কৰিছে। অহা ২ জুনত কেজৰিৱালক জেল কৰ্তৃপক্ষৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ আদালতে নিৰ্দেশ দিয়ে। আদালতত দুয়ো পক্ষৰ অধিবক্তাৰ যুক্তি

শুনাৰ অন্তত ন্যায়াধীশদ্বয়ে দিল্লীৰ মুখ্যমন্ত্ৰী শ্ৰী কেজৰিৱালৰ জামিন আবেদন মঞ্জুৰ কৰে। উল্লেখযোগ্য যে যোৱা ২১ মাৰ্চত বিধি বলৱৎকাৰী সঞ্চালকালয়ে সুৰা নীতিৰ গোচৰত দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীক গ্ৰেপ্তাৰ কৰিছিল। ইপিনে কেজৰিৱালৰ জামিন মঞ্জুৰ কৰাৰ পাছতে আম আদমি পাৰ্টীয়ে উচ্চতম ন্যায়ালয়ক ধন্যবাদ জ্ঞাপন কৰে। এখন সংবাদমেল সম্বোধন কৰি আম আদমি পাৰ্টীৰ জ্যেষ্ঠ নেতা সৌৰভ ভৰদ্বাজ আৰু আতিচিয়ে এয়া সত্যৰ জয় বুলি অভিহিত কৰে। জেলৰ পৰা ওলোৱাৰ পাছত কেজৰিৱালে লোকসভা নিৰ্বাচনৰ প্ৰচাৰ চলাব বুলি আম আদমি পাৰ্টীয়ে জানিবলৈ দিয়ে।

০০০০০

অক্ষয় তৃতীয়া উপলক্ষে আজি অযোধ্যাৰ ৰাম মন্দিৰত ৰাম লালাক অসমৰ বিখ্যাত এৰী আৰু মুগা সুতাৰে প্ৰস্তুত কৰা বিশেষ বস্ত্ৰ পৰিধান কৰোৱা হয়। ৰাম মন্দিৰৰ অফিচিয়েল ডিজাইনাৰ মনিষ ত্ৰিপাঠীয়ে শিশু ৰামৰ বাবে এই বিশেষ সাজ প্ৰস্তুত কৰিছে। এই বিশেষ পোছাকৰ জৰিয়তে অসম বস্ত্ৰ শিল্পৰ প্ৰতিচ্ছবি ভগৱান ৰামৰ জৰিয়তে বিশ্ববাসীৰ ওচৰত প্ৰদৰ্শন কৰাৰ চেষ্টা চলোৱা হৈছে। প্ৰায় ৪৫ দিনৰ অন্তত এই সাজ প্ৰস্তুত কৰা হয়। ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাম লালাক অসমৰ এৰী আৰু মুগা সুতাৰে প্ৰস্তুত কৰা সাজ পৰিধান কৰোৱাত সন্তুষ্টি প্ৰকাশ কৰি অসমবাসীয়ে ভগৱান ৰামক ভক্তিৰ উপহাৰ আগবঢ়োৱা বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে।

০০০০০

অসম ৰাজ্যিক সাংবাদিক সন্থাৰ দশক বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আজি দিনযোৰা কাৰ্যসূচীৰে শিৱসাগৰত অনুষ্ঠিত কৰা হয়। শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ কাৰ্যালয়ত অনুষ্ঠিত এই দিৱসৰ সৈতে সংগতি ৰাখি আচাম ট্ৰিব্ৰিউন কাকতৰ কাৰ্যবাহী সম্পাদক তথা মিডিয়া কোষৰ অধ্যক্ষ প্ৰশান্ত জ্যোতি বৰুৱাক ২০২৪ বৰ্ষৰ ব্ৰহ্মপুত্ৰ উপত্যকা সাংবাদিক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত ভাৰতীয় সাংবাদিক সংঘৰ সচিব প্ৰধান সাবানায়কন চেলভা কুমাৰস্বামী প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গুজৰাটৰ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া খেলত চেন্নাই ছুপাৰ কিংছ, গুজৰাট টাইটানছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

ঃসমাপ্তঃ